**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। চৰকাৰৰ দৃঢ় নীতি আৰু উদ্যমৰ বাবেই দেশত কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পোৱা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে।

২। মহাৰাষ্ট্ৰৰ বাৰামটিত আজি পুৱা সংঘটিত এটা বিমান দুৰ্ঘটনাত ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰসহ পাঁচজন লোকে প্ৰাণ হেৰুৱায়।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে পঞ্জাৱ কেশৰী লালা ৰাজপত ৰায়ৰ জয়ন্তী উপলক্ষ্যে নেতাগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

৪। বাংলাদেশৰ কুৰিগ্ৰামত এগৰাকী বয়োজ্যেষ্ঠ হিন্দু নাগৰিকক হত্যা কৰা ঘটনাই দেশখনত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ নিৰাপত্তাক লৈ পুনৰ উদ্বেগৰ সৃষ্টি কৰিছে।

আৰু

৫। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

০০০০০০০

সমগ্ৰ বিশ্বই সিন্দুৰ অভিযানৰ সময়ত প্ৰতিৰক্ষা বাহিনীসমূহৰ সাহস আৰু শক্তি প্ৰত্যক্ষ কৰা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে। বাজেট অধিবেশনৰ আজি প্ৰথম দিনা সংসদৰ উভয় সদনক উদ্দেশি ভাষণ দি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশে নিজৰ সম্পদৰাজী ব্যৱহাৰ কৰি সন্ত্ৰাসবাদী ঘাটি সমূহ ধ্বংস কৰিবলৈ সমৰ্থ হৈছে। তেওঁ কয় যে ভাৰতৰ ওপৰত হোৱা যিকোনো সন্ত্ৰাসবাদী আক্ৰমণৰ বিৰুদ্ধে দৃঢ় আৰু নিৰ্ণায়ক প্ৰত্যুত্তৰ দিয়া হ'ব বুলি চৰকাৰে শক্তিশালী বাৰ্তা প্ৰেৰণ কৰিছে। সিন্ধু জল চুক্তি প্ৰত্যাহাৰো ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী যুঁজৰ অংশ বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ কয় যে দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে সুদৰ্শন চক্ৰ মিছন চলি আছে।

তেওঁ কয় যে চৰকাৰৰ দৃঢ় নীতি আৰু উদ্যমৰ বাবেই দেশত কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধি পাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশত অভিলেখ পৰিমাণৰ খাদ্যসামগ্ৰী আৰু উদ্যান শস্য উৎপাদন হৈছে। তেওঁ কয় যে চৰকাৰে বৰ্তমান কৃষি খণ্ডত উৎপাদনৰ ক্ষেত্ৰত পিছ পৰি থকা শস্যসমূহৰ উৎপাদন বৃদ্ধিৰ বাবে কাম কৰি আছে। ৰাষ্ট্ৰীয় খোৱা তেল মিছনৰ জৰিয়তে তৈল বীজ আৰু দাইলৰ দৰে কৃষিজাত সামগ্ৰীৰ আমদানি হ্ৰাস কৰাটো চৰকাৰৰ উদ্দেশ্য বুলি উল্লেখ কৰি শ্ৰীমতী মুৰ্মুৱে কয় যে এই ক্ষেত্ৰসমূহত দেশ আত্মনিৰ্ভৰশীল হোৱাৰ দিশে অগ্ৰসৰ হৈছে। তেওঁ লগতে ভাৰত এই দশকৰ শেষ ভাগলৈ ৫০০ গিগাৱাট নবীকৰণযোগ্য শক্তি উৎপাদনৰ লক্ষ্যত উপনীত হ'ব বুলি আস্থা প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৱে কয় যে বিগত ১১ বছৰত উত্তৰ পূৰ্বাঞ্চলত ৭ হাজাৰ ২০০ কিলোমিটাৰৰো অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ

কৰা হৈছে। ইয়াৰ ফলত দূৰণিবটীয়া দুৰ্গম এলেকা, পাৰ্বত্য এলেকা, জনজাতি বসতিপ্ৰধান অঞ্চল আৰু সীমান্ত এলেকাসমূহৰ সৈতে যোগাযোগ সুচল হৈছে বুলি শ্ৰীমতী মুৰ্মুৱে মন্তব্য কৰে। তেওঁ কয় যে গ্ৰামাঞ্চলৰ উন্নয়ন আৰু কৰ্মসংস্থাপন সৃষ্টিৰ উদ্দেশ্য বিকশিত ভাৰত জি ৰাম জি নামৰ এখন আইন প্ৰণয়ন কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে এই নতুন আইনৰ জৰিয়তে গাঁওসমূহত ১২৫ দিনৰ কৰ্মসংস্থাপন নিশ্চিত কৰা হৈছে। একে সময়তে আইনখনে দুৰ্নীতি নিয়ন্ত্ৰণ আৰু হৰলুকি ৰোধ কৰাত সহায় কৰিব বুলি শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। তেওঁ কয় যে এই আঁচনিখনে গ্ৰামাঞ্চলৰ উন্নয়নত নতুন গতি প্ৰদান কৰিব আৰু কৃষক, পশুপালক আৰু মীন পালকসকলৰ বাবে নতুন সুবিধা সৃষ্টি কৰিব। তেওঁ কয় যে যোৱা ১০-১১ বছৰত প্ৰতিটো খণ্ডত দেশৰ ভেটি সুদৃঢ় হৈছে আৰু ২০২৬ বৰ্ষটো বিকশিত ভাৰত যাত্ৰাৰ গুৰুত্বপূৰ্ণ আধাৰৰূপে পৰিগণিত হ'ব।

০০০০০০০

মহাৰাষ্ট্ৰৰ বাৰামটিত আজি পুৱা সংঘটিত এটা বিমান দুৰ্ঘটনাত ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰৰ লগতে পাঁচজন লোকে প্ৰাণ হেৰুৱায়। অসামৰিক বিমান পৰিবহন মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে বিমানখনত উপ-মুখ্যমন্ত্ৰীগৰাকীৰ লগতে দুজন সুৰক্ষা বিষয়া আৰু দুগৰাকী বিমান পৰিচালক আছিল। বিমানখনে বাৰামটি বিমান বন্দৰত অৱতৰণ কৰা সময়তে দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনা সংঘটিত হোৱাৰ লগে লগে বিমানখন সম্পূৰ্ণৰূপে ভস্মীভূত হয়। উল্লেখযোগ্য যে পুৱা ৮ বাজি ১০ মিনিটত উপ-মুখ্যমন্ত্ৰীগৰাকী বাৰামটিত এখন জনসভাত অংশগ্ৰহণ কৰাৰ বাবে ৰাওনা হৈছিল। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা আনকেইগৰাকী উপ-মুখ্যমন্ত্ৰীগৰাকীৰ ব্যক্তিগত সুৰক্ষা বিষয়া বিদিপ যাদৱ, পাইলট কেপ্তেইন সুমিত কাপুৰ, সম্ভৱী পাঠক আৰু ফ্লাইট এটেণ্ডেণ্ট পিংকী মাথি বুলি প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত অজিত পাৱাৰৰ অকাল মৃত্যুক দেশৰ বাবে অপূৰণীয় ক্ষতি বুলি অভিহিত কৰে। তেওঁ কয় যে মহাৰাষ্ট্ৰৰ বিশেষকৈ সমবায় খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ বাবে শ্ৰীপাৱাৰক সদায় স্মৰণ কৰা হ'ব। ৰাষ্ট্ৰপতিগৰাকীয়ে বাৰামটি বিমান দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা সকলোৰে পৰিয়ালবৰ্গক এই দুখৰ মুহূৰ্তৰ সন্মুখীন হোৱা বাবে সাহস আৰু শক্তি দিবলৈ নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ বাৰ্তাত কয় যে জনগণৰ নেতা অজিত পাৱাৰে তৃণমূল পৰ্যায়ৰ পৰা জনসাধাৰণৰ সৈতে যোগাযোগ ৰক্ষা কৰি আহিছিল। কঠোৰ পৰিশ্ৰমী আৰু সেৱাৰ মনোভাৱৰ বাবে তেওঁ সৰ্বজন সমাদৃত আছিল বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে উপ-মুখ্যমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লগতে দুৰ্ঘটনাত নিহত আটাইকেইগৰাকীৰ ব্যক্তিৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

উপ-মুখ্যমন্ত্ৰীগৰাকীৰ দীঘলীয়া ৰাজনৈতিক জীৱনৰ কথা স্মৰণ কৰি লোকসভাৰ অধ্যক্ষ ওম বিৰলাই কয় যে মহাৰাষ্ট্ৰৰ উন্নয়ন আৰু সমবায়সমূহৰ জৰিয়তে জনসাধাৰণৰ কল্যাণৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বাবে প্ৰয়াত পাৱাৰক সদায় স্মৰণ কৰা হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এটা শোকবাৰ্তাত কয় যে পাৱাৰৰ মৃত্যু তেওঁ আৰু এন ডি পৰিয়ালৰ বাবে ব্যক্তিগত ক্ষতি। পাৱাৰৰ পৰিয়াললৈ গভীৰ সমবেদনা প্ৰকাশ কৰি শ্ৰীশ্বাহে কয় যে এই দুখৰ মুহূৰ্তত সমগ্ৰ এন ডি এ পৰিয়াল শোকসন্তপ্ত পৰিয়ালৰ সৈতে আছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে তেওঁৰ বাৰ্তাত কয় যে দীঘলীয়া ৰাজহুৱা জীৱনত প্ৰয়াত পাৱাৰ মহাৰাষ্ট্ৰৰ উন্নয়ন আৰু সমৃদ্ধিৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ আছিল। উপ-মুখ্যমন্ত্ৰীগৰাকীৰ জনসাধাৰণৰ প্ৰতি থকা মৰম ভালপোৱা আৰু ৰাজহুৱা সেৱাৰ প্ৰতি থকা উৎসৰ্গাৰ মনোভাৱৰ বাবে সমাদৃত আছিল বুলি তেওঁ মন্তব্য কৰে।

পাৱাৰৰ পৰিয়াল, অনুৰাগী আৰু মহাৰাষ্ট্ৰৰ জনসাধাৰণলৈ গভীৰ সমবেদনা প্ৰকাশ কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে উপ-মুখ্যমন্ত্ৰীগৰাকীৰ অকাল বিয়োগে তেওঁক ব্যথিত কৰি তুলিছে।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাইও এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰে। জনতাৰ সেৱা আৰু কল্যাণৰ বাবে নিজৰ জীৱন উৎসৰ্গা কৰা অজিত পাৱাৰৰ মহাৰাষ্ট্ৰৰ উন্নয়ন আৰু শাসন ব্যৱস্থাৰ প্ৰতি অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে পঞ্জাৱ কেশৰী লালা লাজপত ৰায়ৰ জয়ন্তী উপলক্ষ্যে নেতাগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশবাসীয়ে নিৰ্ভীক স্বাধীনতা সংগ্ৰামী তথা ৰাষ্ট্ৰনেতাগৰাকীক চিৰদিন স্মৰণ কৰাৰ লগতে তেওঁৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি যাব। শ্ৰীৰাধাকৃষ্ণনে লালা লাজপত ৰায়ক এগৰাকী দূৰদৰ্শী নেতা, সমাজ সংস্কাৰক তথা শিক্ষাবিদ বুলি অভিহিত কৰে। তেওঁ লগতে কয় যে এইগৰাকী মহান নেতাই ৰাষ্ট্ৰীয়তাবাদৰ মনোভাৱক শক্তিশালী কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে দেশৰ স্বাধীনতাৰ বাবে জীৱন উৎসৰ্গা কৰি গৈছে। লালা লাজপত ৰায়ৰ সাহস তথা প্ৰতিশ্ৰুতিবদ্ধতাৰ ধাৰাই দেশবাসীক চিৰদিন পথ প্ৰদৰ্শন কৰি যাব বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০০০০০

বাংলাদেশৰ কুৰিগ্ৰামত এগৰাকী বয়োজ্যেষ্ঠ হিন্দু নাগৰিকক হত্যা কৰা ঘটনাই দেশখনত ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলৰ নিৰাপত্তাক লৈ পুনৰ উদ্বেগৰ সৃষ্টি কৰিছে। দেশখনত শেহতীয়া কেইটামান মাহত সংঘটিত এলানি হিংসাত্মক ঘটনাৰ মাজতে যোৱা ২৬ জানুৱাৰীত এটা অনুৰূপ ঘটনাত মধু চন্দ্ৰ শীল নামৰ ৬২ বছৰ বয়সীয়া লোক এজনক একাংশ দুৰ্বৃত্তই হত্যা কৰে। বাংলাদেশৰ ৰাজাৰহাট উপ-জিলাৰ অন্তৰ্গত জয়দেৱ মালছাবাৰী গাঁৱত মাটিৰ সীমাক কেন্দ্ৰ কৰি এই হিংসাত্মক পৰিস্থিতিৰ উদ্ভৱ হয়। আৰক্ষী আৰু স্থানী সূত্ৰই প্ৰকাশ কৰা মতে দীৰ্ঘদিন ধৰি আবেদ আলী নামৰ প্ৰতিবেশী লোকজনৰ পৰিয়ালৰ সৈতে শীলৰ পৰিয়ালৰ ভূমিবিবাদ চলি আহিছিল।

ঘটনাটোৰ সন্দৰ্ভত আৰক্ষীয়ে পাছত আশ্ৰফ আলী নামৰ লোকজনক মূল অভিযুক্ত হিচাপে চিনাক্ত কৰি গ্ৰেপ্তাৰ কৰে। ঘটনাটোৰ সৈতে জড়িত আন কেইবাজনো লোকক বৰ্তমানলৈ আটক কৰিব পৰা নাই যদিও আৰক্ষীয়ে সকলো অপৰাধীকে বিচাৰৰ অধীনলৈ অনা হ'ব বুলি নিশ্চিত কৰি দিছে।

উল্লেখযোগ্য যে মানৱ অধিকাৰ কৰ্মী আৰু স্থানীয় বাসিন্দাসকলে এই ঘটনাটো কোনো বিক্ষিপ্ত ঘটনা নহয় বুলি মত পোষণ কৰি ইয়াক সংখ্যালঘু সম্প্ৰদায়ৰ বিৰুদ্ধে পৰিকল্পিত আক্ৰমণৰ ঘটনা বুলি অভিহিত কৰিছে। বিশেষকৈ অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশৰ পৰা দুৰ্বল হিচাপে পৰিগণিত একাংশ হিন্দু পৰিয়ালৰ বিৰুদ্ধে সংঘটিত এনে হিংসাত্মক ঘটনাৰ ক্ষেত্ৰত ভুক্তভোগী পৰিয়ালসমূহক ন্যায় তথা সুৰক্ষা প্ৰদানত বিলম্ব ঘটা বুলিও অভিযোগ উত্থাপিত হৈছে।

০০০০০০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি- ২০ ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেল আজি বিশাখাপট্টনমত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে ইতিমধ্যে প্ৰথম ৩খন খেলত জয়লাভ কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰিব। শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেল-অহা ৩১ জানুৱাৰীত তিৰুৱনন্তপুৰমৰ গ্ৰীণ ফিল্ড ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

oooooooo

সমাপ্ত